Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



সপ্তম শ্ৰেণীৰ বাবে

অংকুৰণ

পাঠ - ২

কালিকা লগা পাট-কাপোৰ

অংশ - ১

পুণ্যব্ৰত বৰদলৈ

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

বহু যুগৰ আগৰ কথা। আচিক দেশত এজন বৰ চহকী মানুহ আছিল। পৰ্বতীয়া জাতিসমূহৰ মাজত কেতবোৰ মাতৃপ্ৰধান জাতি আছে। আচিক দেশৰ লোকসকলো মাতৃপ্ৰধান জাতি। মাতৃপ্ৰধান সমাজত ছোৱালী পিতৃ-মাতৃৰ সম্পত্তিৰ উত্তৰাধিকাৰী হয়।

চহকী - ধনী

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

সেই নিয়ম অনুসৰি আচিক দেশৰ চহকী মানুহগৰাকীৰ ছোৱালীজনীও মাক-বাপেকৰ সম্পত্তিৰ উত্তৰাধিকাৰী হ'ল। সময়ত এজন দেখনিয়াৰ ডেকাৰ লগত তাইৰ বিয়া পতা হ'ল।

দেখনিয়াৰ –

দেখিবলৈ ধুনীয়া



Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো


বাপেকে ছোৱালীজনীক আন আন সম্পত্তিৰ লগতে এখন কালিকা লগা বনকৰা পাট- কাপোৰ দিছিল। জীয়েক- জোঁৱায়েকে কাপোৰখন সযত্নে ৰাখিছিল।

বনকৰা – বেজিৰে গুণাৰ ফুল তুলি শোভিত কৰা

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

'এটা মন্ত্ৰ উচ্চাৰণ নকৰাকৈ কাপোৰখনত কোনোবাই হাত দিলে চকুৰ পচাৰতে সি চৰাইলৈ ৰূপান্তৰিত হ'ব আৰু কাপোৰখন চৰাইৰ পাখি আৰু নেজ হৈ পৰিব'—



ৰূপান্তৰিত
–
গঢ় বা আকাৰ সলনি হোৱা

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

এই কথা বাপেকে ছোৱালীজনীক মনে মনে কৈছিল আৰু মন্ত্রটোও শিকাই দিছিল। কিন্তু ছোৱালীজনীৰ গিৰিয়েকে এই বিষয়ে একোৱেই গম পোৱা নাছিল। কাপোৰখনৰনো কি গুণ, তাকো তেওঁ নাজানিছিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

কেইবছৰমানৰ পাছত চহকী মানুহজন আৰু তেওঁৰ ঘৈণীয়েক ঢুকাল। জীয়েক আৰু জোঁৱায়েক ঘৰৰ গৰাকী হ'ল। এদিন ছোৱালীজনীয়ে কাপোৰখন পেৰাৰ পৰা উলিয়াই ৰ'দত মেলি দিলে।

পেৰা–
ধন-বস্তু সুমুৱাই থোৱা সচাঁৰ লগোৱা বা নলগোৱা কাঠৰ বাকচ

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

তাৰ পাছত তাই মাছ মাৰিবলৈ যাব লগা হোৱাত গিৰিয়েকক কৈ গ'ল- ধাৰাসাৰে বৰষুণ দিয়ক, শিল-বৰষুণ হওক, তথাপি কাপোৰখন তেওঁ যেন নোচোৱে। এই বুলি কৈ তাই ওচৰৰ জান এটাত চেপা (খোকা) পাতি মাছ ধৰিবলৈ গ'ল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

কিছু সময়ৰ পাছত ক'লা ডাৱৰে আকাশখন ছাটি পেলালে। ধাৰাসাৰে বৰষুণ আহিল। কাপোৰখন বৰষুণত তিতা দেখি গিৰিয়েকে ঘৈণীয়েকক চিঞৰি মাতিলে। তাই লৰালৰিকৈ আহিবলৈ ধৰিলে। কিন্তু তাই আহি পোৱাৰ আগতে শিল-বৰষুণ আহিল।

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

গিৰিয়েকে তাইৰ কথা পাহৰিলে আৰু কাপোৰখন সামৰি আনিবলৈ গৈ তাত হাত দিলে। ততালিকে তেওঁ এটা ডাঙৰ আৰু নানা বৰণীয়া জকমকীয়া পাখিৰে সুশোভিত ময়ূৰ চৰাই (চিতৰী) হৈ পৰিল।

সুশোভিত – সুসজ্জিত, অতি শোভাযুক্ত

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

এই কাণ্ড দেখি ঘৈণীয়েকে মন্ত্ৰষাৰ উচ্চাৰণ কৰিবলৈ পাহৰি 'কি কৰিলা ঔ' বুলি চিঞৰ মাৰি কাপোৰখনত হাত দিলে। লগে লগে তায়ো এজনী চৰাইৰ ৰূপ পালে।



Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

তেতিয়াৰে পৰা গিৰিয়েকজন হৈ পৰিল মতা ম'ৰা চৰাই; আৰু ঘৈনীয়েকজনী হৈ পৰিল মাইকী ম'ৰা চৰাই। মতাটোৰ পাখি বেছি জকমকীয়া।

জকমকীয়া
–
চকমক কৰা

Under CSR Support by
ipca | Foundation

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো

কাৰণ, সেই কাপোৰখনৰ সৰহভাগ তাৰ নেজ আৰু পাখিত লাগি ৰ'ল। তেতিয়াৰে পৰা মেঘে গাজিলে বা বৰষুণ আহিবলৈ ধৰিলে ম'ৰা চৰায়ে চিঞৰিবলৈ ধৰে। সিহঁতৰ ভয় লাগে, জানোচা সিহঁতৰ ধুনীয়া পাখি বৰষুণত তিতি নষ্ট হয়।

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



১। চহকী মানুহজন কোন দেশৰ আছিল ?

(ক) আচিক দেশৰ

(খ) ব্ৰহ্মদেশৰ

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



২। চহকী মানুহজনৰ ছোৱালীজনীৰ কাৰ লগত বিয়া হৈছিল ?

(ক) এজন কুৰূপ ডেকাৰ লগত

(খ) এজন দেখনিয়াৰ ডেকাৰ লগত

Under CSR Support by
ipca | Foundation

মূল্যায়ন

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৱে পঢ়ো সকলোৱে আগবাঢ়ো



৩। আচিক সম্প্রদায়ত সম্পত্তিৰ উত্তৰাধিকাৰী কোন ?

(ক) ছোৱালী

(খ) ল'ৰা